# অসম আদিত্য

৫ চ'ত, ১৯৪৪ শক ■ সোমবাৰ, ২০ মাৰ্চ, ২০২৩ ■ Asom Aditya, Dibrugarh, Monday, March 20, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা

### ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত অসম চ

## সাহসী যোদ্ধাসকল

## প্ৰতিটো প্ৰজন্মক অনু

### কেপ্টেইন জিন্টু গগৈসহ বীৰ শ্বহীদলৈ শ্ৰদ্ধাঞ্জ

ক ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ মাৰ্চ ঃ দেশৰ মহান নায়কসকলৰ অন্যতম বীৰ লাচিত বৰফুকনৰ শবছৰীয়া জন্মজয়ন্তীৰ লগত সংগতি ৰাখি আজি মৰ ৰাজ্যপাল গোলাব কাটাৰীয়া, মুখ্যমন্ত্ৰী ড° হিমন্ত

বিশ্ব শৰ্মা স্মাৰকত কৰে। মুখ নতুন প্ৰজ

### ১২ দিনীয়া পৰিকল্প

## আই এছ আ



### ৰ সাংসদ পুঁজি কেলেংকাৰি

## কানৈ কলেজত 'দোকমোকালি'ৰ উন্মোচন

ডিব্ৰুগড়, ১৯ মাৰ্চ ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বেজবৰুৱা চ'ৰাৰ প্ৰাচীৰ পত্ৰিকা 'দোকমোকালি'ৰ উন্মোচন কৰা হয়। মহাবিদ্যালয়ৰ স্নাতকোত্তৰ আৰু স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰচেষ্টাত বিভাগৰ ত্ৰয়ো-বিংশতিতম প্ৰাচীৰ পত্ৰিকাখনে প্ৰাণ পাই উঠে। প্ৰিয়ংকা টায়েঙৰ সম্পাদনাত বিভাগৰ অধ্যাপকসকলৰ তত্ত্বাৱধানত 'অসমৰ জনগোষ্ঠীয় সাজপাৰ' শীৰ্ষক বিভিন্ন দিশ সামৰি প্ৰস্তুত কৰা 'দোকমোকালি'ৰ উন্মোচক হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ড০ মানস দাস আৰু মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া। উন্মোচকদ্বয়ে উন্মোচনী সভাত উপস্থিত হৈ বিভাগৰ এনে কামৰ শলাগ লোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ কৰ্মোদ্যমৰ শলাগ লৈ উৎসাহ প্ৰদান কৰে। অনাগত দিনত আৰু উদ্যমেৰে এনেধৰণৰ কামেৰে বিভাগ তথা মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনাৰ প্ৰেৰণা দি ভাষা-সংস্কৃতিৰ ভূ-স্বৰ্গ অসম সন্দৰ্ভত আলোকপাত কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই প্ৰাচীৰ পত্ৰিকাৰ শলাগ লোৱাৰ লগতে বিজ্ঞান-প্ৰযুক্তিৰ প্ৰচাৰ-প্ৰসাৰৰ সময়ত অন্যান্য গ্ৰন্থসমূহ ডিজিটেল মাধ্যমেৰে বিভিন্নজনৰ ওচৰলৈ লৈ যোৱাৰ দৰে প্ৰাচীৰ পত্ৰিকাসমূহকো সেই মাধ্যমত সংস্থাপন কৰাৰ দিহা দিয়াৰ লগতে বিভিন্ন কৌশল সন্দৰ্ভত অৱগত কৰে।

## চাবুৱাত বুনিয়াদী সাক্ষৰতা-সাংখ্যিকত শিক্ষকসকলৰ প্ৰশিক্ষণৰ সামৰণি

বিশেষ প্ৰতিনিধিজ্ঞ টেঙাখাত, ১৯ মাৰ্চ ঃ ডিব্ৰুগড় জিলাৰ চাবুৱাত সমগ্ৰ শিক্ষাৰ সৌজন্যত নিপুণ অসমৰ অধীনত বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ সন্দৰ্ভত শিক্ষকসকলৰ ৪ দিনীয়া এক প্ৰশিক্ষণ ১৩ মাৰ্চৰ পৰা ১৬ মাৰ্চলৈ হৰগুণৰায় ভেৰুদন প্ৰাথমিক বিদ্যালয়ত ৰংচঙী মণ্ডলৰ লগতে পুলুঙা আৰু চাবুৱা টাউন মণ্ডলৰ NEP (National Education Policy 2020) অধীনৰ FLN (Foundational Literacy and Numeracy) ৪ দিনীয়া এক প্ৰশিক্ষণ হৈ যায়। প্ৰায় এক শতাধিক প্ৰশিক্ষাৰ্থী আৰু সমল ব্যক্তিৰ উপস্থিতিত প্ৰশিক্ষণটি তদাৰক কৰে কেন্দ্ৰৰ সমল ব্যক্তি মনজ্যোতি চেতিয়াই। লগতে সম হিচাপে উপস্থিত থাকে মীৰ ৰাবীল আহমেদ, নৱ ধৰ্মজিৎ হাজৰিকা, এঞ্জেলা বৰুৱা সোনাৰ আৰু প এই প্ৰশিক্ষণ কাৰ্যসূচীৰ পৰিদৰ্শন কৰে ডিব্ৰুগড় জি প্ৰাথমিক শিক্ষা বিষয়া, জিলা আঁচনি বিষয় লাহোৱাল শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি, পানীতে খণ্ডৰ কে আৰ পি বৃন্দা। প্ৰশিক্ষণৰ শেষৰ দি হিচাপে উপস্থিত থাকে ৰাষ্ট্ৰীয় পৰ্যায়ৰ এজন শি মিত্ৰই। অতি আনন্দপূৰ্ণ আৰু সুচাৰুৰূপে চাৰি FLN প্ৰশিক্ষণ কাৰ্যসূচী সফল সামৰণি পৰে।

## কন্দপান গোষ্ঠীৰ প্ৰতিষ্ঠা

বিশেষ প্ৰতিবেদক, টেঙাখাত, ১৯ মাৰ্চ ঃ সদৌ অসম কন্দপান গোষ্ঠীৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলাৰ অন্তৰ্গত টেঙাখাত লেংৰাই চাহ বাগিচা কন্দপান গোষ্ঠীৰ সহযোগত আজি দিনজোৰা কাৰ্যসূচীৰে সদৌ অসম কন্দপান গোষ্ঠীৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। লেংৰাই চাহ বাগিচাৰ খেলপথাৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে কেন্দ্ৰীয় সমিতিৰ সভাপতি জিতেন কন্দপানে আৰু স্মৃতি তৰ্পণ কৰে সম্পাদক দ্বীপ কন্দপানে। আবেলি অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে জিতেন কন্দপানে। সভাত আদৰণী ভাষণ প্ৰদান কৰে সদৌ অসম কন্দপান গোষ্ঠী কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ভাগীৰথ কন্দপানে। বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ কেন্দ্ৰীয় উপ- সভাপতি ৰাজেন কুমাৰ, সাংবাদিক ব্ৰজেন গগৈ, উপদেষ্টা জুলিয়েন কন্দপান, সদৌ অসম তাঁতী সমাজৰ উপদেষ্টা সনাতন কন্দপানকে ধৰি বহুকেইজন বক্তাই



কলা-কৃষ্টি প্ৰদৰ্শনত বাদ্যযন্ত্ৰ পৰিৱেশন ক